### দদৰাত এছ বি আইৰ উদ্যোগত জন সুৰক্ষা অভিযানৰ শিবিৰ

# ২০টা আত্মসহায়ক গোটলৈ এক কোটি টকাৰ ঋণৰ চেক বিতৰণ




প্ৰতিদিন সেৱা, গুৱালকুছি, ২৮ আগষ্ট : কেন্দ্ৰীয় চৰকাৰৰ জন সুৰক্ষা অভিযানৰ অংশ হিচাপে আজি কামৰূপৰ দদৰাৰ ভৃগু কুমাৰ ফুকন ৰাজহুৱা প্ৰেক্ষাগৃহত জন সুৰক্ষা শিবিৰ অনুষ্ঠিত হয়। ভাৰতীয় ষ্টেট বেংকৰ দদৰা শাখাৰ উদ্যোগত অনুষ্ঠিত এই শিবিৰত জন সুৰক্ষা আঁচনিৰ বিষয়ে আলোচনা কৰাৰ লগতে বেংকত থকা বিভিন্ন আঁচনিৰ দ্বাৰা জনসাধাৰণ কেনেদৰে উপকৃত হ'ব পাৰে, এই সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গুৱাহাটী মুখ্য কাৰ্যালয়ৰ বিষয়া সুস্মিতা ফুকনে ভাষণ দিয়ে। অনুষ্ঠানত ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য মহাপ্ৰবন্ধক প্ৰভাস বসুৱে বিত্তীয় সজাগতা সন্দৰ্ভত কয়। শিবিৰত ভাৰতীয় ষ্টেট বেংকৰ আন এগৰাকী উচ্চপদস্থ বিষয়া চঞ্চল ত্ৰিপাঠীয়ে চাইবাৰ প্ৰৱঞ্চনা, ডিজিটেল ফ্ৰড, ডিজিটেল এৰেষ্ট আদিৰ বিষয়ে কয়। যিকোনো চাইবাৰ প্ৰৱঞ্চনাত পৰিলে ভাৰতীয় ষ্টেট বেংকত ১৯৩০ নম্বৰত যোগাযোগৰ বাবে তেওঁ আহ্বান জনায়। বিত্তীয় জন সুৰক্ষা শিবিৰত ২০ টা আত্মসহায়ক গোটলৈ প্ৰায় ১ কোটি টকাৰ চেক বিতৰণ কৰাৰ লগতে কেইবাগৰাকীও লোকক মুদ্ৰা ঋণো বিতৰণ কৰে। সভাত বেংক বিষয়া আফতাপ মালিক, সুশান্ত বল্লভ হাজৰিকা, অমিত ৰঞ্জন, সঞ্জয় কুমাৰ চাফী আদি উপস্থিত থাকে।

## শব্দজ্ঞান : ৯৩৭৯

